অসমীয়া
প্ৰতিদিন
গুৱাহাটী ■ দেওবাৰ, ২৪ মে', ২০০৯

## মুখ্যমন্ত্ৰীৰ বিনিয়োগ উপদেষ্টাৰ দাবী

# উদ্যোগবিহীন অসম হ'ব পাৰে বিশ্বৰ অন্যতম সেউজ ৰাজ্য

প্ৰতিদিন সংবাদ, গুৱাহাটী, ২৩ মে' ঃ অসমত ব্যাপক পৰিসৰত উদ্যোগীকৰণৰ পৰিবেশ যিহেতু আজিও বাস্তৱায়িত নহ'ল, সেয়ে ৰাজ্যখনক বিশ্বৰ আগত এখন 'সেউজ ৰাজ্য' হিচাপে প্ৰতিষ্ঠা কৰাহে সময়সাপেক্ষ সিদ্ধান্ত হ'ব বুলি আজি গুৱাহাটীত মন্তব্য কৰিছে ৰাজ্যৰ মুখ্যমন্ত্ৰী তৰুণ গগৈৰ বিনিয়োগ উপদেষ্টা ৰঞ্জিৎ বৰঠাকুৰে। আজি এখন সংবাদমেল সম্বোধন কৰি মুখ্যমন্ত্ৰীৰ বিনিয়োগ উপদেষ্টা তথা বিশিষ্ট ব্যৱসায়ী বৰঠাকুৰে কয় যে এতিয়া সমগ্ৰ বিশ্বতে অধিক চৰ্চাৰ বিষয় হৈছে জৈৱ-বৈচিত্ৰ্য। প্ৰদূষণযুক্ত, গছ-গছনিৰে ভৰপূৰ প্ৰকৃতিভূমিৰ গুৰুত্ব এতিয়া বহুত বেছি। এনে প্ৰেক্ষাপটতে নেদাৰলেণ্ডৰ দৰে ৰাষ্ট্ৰই জৈৱ-বৈচিত্ৰ্য সংৰক্ষণৰ মাধ্যমত 'সেউজ ৰাষ্ট্ৰ' নিৰ্মাণ কৰাৰ বাবে নিজাববীয়াকৈ 'প্ৰকৃতি নীতি' (nature policy) প্ৰস্তুত কৰিছে। সংবাদমেলত বৰঠাকুৰে কয় যে অসমত যিহেতু এতিয়াও উদ্যোগীকৰণে আকাংক্ষিত ৰূপত বিকাশ লাভ কৰা নাই, সেয়ে ৰাজ্যৰ জলবায়ু আজিও আপাততঃ প্ৰদূষণমুক্ত। আনহাতে ৰাজ্যখন এতিয়াও সেউজ অৰণ্যভূমিৰে আগুৰা। গতিকে অসমক এখন সেউজ ৰাজ্য (green state) ৰূপে গঢ়ি তোলাৰ বহু সুযোগ আছে। সেউজ ৰাজ্যৰ ধাৰণাটো কাৰ্যক্ষেত্ৰত বাস্তৱায়িত কৰি অসমে সমগ্ৰ বিশ্বকে আকৰ্ষণ কৰিব পাৰে। উল্লেখনীয় যে মুখ্যমন্ত্ৰীৰ উপদেষ্টাগৰাকীয়ে আজি কৰা এই মন্তব্যই ৰাজ্যখনৰ উদ্যোগীকৰণৰ স্বৰূপটো উদঙাই দিয়াৰ সমান্তৰালকৈ সম্ভাৱনাৰ এটা নতুন দিশো উন্মোচিত কৰিছে। বৰঠাকুৰৰ মতে অসমৰ অৰণ্যভূমি সংৰক্ষণৰ লগতে কৃষিনিৰ্ভৰ অৰ্থনীতি গঢ় দিব পাৰিলে ৰাজ্যৰ সামগ্ৰিক অৰ্থনীতিয়ে বিকাশ লাভ কৰাটো নিশ্চিত। উল্লেখনীয় যে এই ৰঞ্জিৎ বৰঠাকুৰৰ উদ্যোগতে শোণিতপুৰ জিলাৰ বালিপৰাত আৰম্ভ হৈছে জৈৱ-বৈচিত্ৰ্য সম্পৰ্কীয় গৱেষণা আৰু উন্নয়নৰ বাবে 'বালিপৰা ট্ৰেক এণ্ড ফ্ৰন্টিয়াৰ ফাউণ্ডেচন' চমুকৈ 'বালিপৰা ফাউণ্ডেচন' নামৰ এটা বেচৰকাৰী সংস্থা। প্ৰায় ৭ একৰ ভূমিত এই সংস্থাটোৰ উদ্যোগত অৰ্গেনিক পদ্ধতিত পৰীক্ষামূলকভাৱে কৃষিকাৰ্য কৰা হৈছে। এইক্ষেত্ৰত সংস্থাটো সফল হৈছে বুলি দাবী কৰিছে সংস্থাটোৰ পৰিচালন ন্যাসৰক্ষী প্ৰবীৰ বেনাৰ্জীয়ে। বেনাৰ্জীয়ে জনোৱামতে বালিপৰাত কৃষকসকলৰ বাবে অৰ্গেনিক কৃষিৰ প্ৰশিক্ষণো দিয়া হৈছে আৰু সেয়া অব্যাহত থাকিব। ফাউণ্ডেচনে এটা পৰিয়ালে নিজৰ মাটিতে কিদৰে কৃষিকৰ্ম কৰি সুচলভাৱে জীৱন নিৰ্বাহ কৰিব পাৰে তাৰে এটা নমুনা প্ৰস্তুত কৰি উলিয়াইছে বুলি ন্যাসৰক্ষীগৰাকীয়ে জনাইছে।

### জৈৱ কৃষিৰে 'বালিপৰা ফাউণ্ডেচনে' দেখুৱাইছে পথ